**পঞ্জাৱ চৰকাৰ**

**বনাম**

**লাল সিং আৰু অন্যান্য**

**১৮ নৱেম্বৰ, ১৯৯৬**

**[ন্যায়াধীশ কে. ৰামাস্বামী আৰু ন্যায়াধীশ জি. বি. পাটনায়ক]**

*সেৱা আইন:*

*পঞ্জাৱ প্ৰশাসনিক সেৱা নিয়মাৱলী, (১৯৫৩) :*

*(প্ৰথম খণ্ড, প্ৰথম অংশ), বিধি সংখ্যা ৪(৪) – অগ্ৰিম দৰমহা বৃদ্ধি – কনিষ্ঠ প্ৰাথমিক প্ৰশিক্ষণ শিক্ষকসমূহ – প্ৰধান শিক্ষকৰূপে অস্থায়ীভাৱে নিযুক্তি – প্ৰধান শিক্ষকৰ দৰমহাৰ নিৰিখত এক অগ্ৰিম দৰমহা বৃদ্ধিৰ দাবী – ৰায় দিয়া হ'ল যে যেতিয়া কনিষ্ঠ প্ৰাথমিক প্ৰশিক্ষণ শিক্ষক এগৰাকীক প্ৰধান শিক্ষক হিচাপে অস্থায়ীভাৱে নিযুক্তি দিয়া হয়, যিটো পদৰ লগত অধিক গুৰুত্বপূৰ্ণ দায়িত্ব জড়িত হৈ আছে, তেতিয়া তেওঁৰ প্ৰধান শিক্ষক হিচাপে তেওঁৰ অস্থায়ী পদোন্নতিৰ তাৰিখত কনিষ্ঠ প্ৰাথমিক প্ৰশিক্ষণ শিক্ষকৰ দৰমহাৰ নিৰিখ সাপেক্ষে প্ৰাপ্ত মূল দৰমহাৰ পৰৱৰ্তী স্তৰৰ নিৰিখত পুৰণি পদটোত এক অগ্ৰিম দৰমহা বৃদ্ধি লাভৰ অধিকাৰ থাকিব।*

দেৱানী আপীল ক্ষেত্ৰাধিকাৰ : ১৯৯৬-ৰ দেৱানী আবেদন সংখ্যা ১৫০৫৭।

১৯৯২-ৰ দেৱানী লেখ আবেদন সংখ্যা ১৬০৪৯-ত পঞ্জাৱ আৰু হাৰিয়ানা উচ্চ ন্যায়ালয়ৰ ২.১১.৯৫ তাৰিখৰ ৰায়দান আৰু আদেশৰ পৰা।

আবেদনকাৰীৰ হৈ মনোজ স্বৰূপ।

উত্তৰদাতাৰ হৈ এম. এন. কৃষ্ণমণি, আৰ. চি. কৌশিক, সৎপাল সিং, আৰু ডি. কে. গাৰ্গ।

আদালতৰ নিম্নলিখিত আদেশ প্ৰদান কৰা হ'ল :

বিলম্ব ক্ষমা কৰা হ'ল।

অনুমতি প্ৰদান কৰা হ'ল।

আমি দুয়ো পক্ষৰ বিজ্ঞ অধিবক্তাৰ বক্তব্য শুনিলোঁ।

বিশেষ অনুমতিৰ দ্বাৰা দাখিল কৰা এই আবেদন দেৱানী লেখ আবেদন সংখ্যা ১৬৪০৯/৯২-ত পঞ্জাৱ আৰু হাৰিয়ানা উচ্চ ন্যায়ালয়ে ২ নৱেম্বৰ, ১৯৯৫ তাৰিখে প্ৰদান কৰা আদেশৰ পৰা উদ্ভৱ হৈছে।

অগ্ৰিম দৰমহা বৃদ্ধিৰ বাবে বিতৰ্ক উত্থাপন কৰা হৈছে, য'ত প্ৰশ্নটো হৈছে যে দৰমহাৰ কোনটো নিৰিখত উত্তৰদাতাসকলৰ অগ্ৰিম দৰমহা বৃদ্ধিৰ অধিকাৰ আছে? স্বীকাৰ কৰা অনুসৰি, উত্তৰদাতাসকলক কনিষ্ঠ প্ৰাথমিক প্ৰশিক্ষণ শিক্ষকৰ স্থায়ী পদত নিযুক্তি দিয়া হৈছিল আৰু তেওঁলোকক অস্থায়ীভাৱে প্ৰধান শিক্ষক হিচাপে পদোন্নতি দিয়া হৈছিল। কনিষ্ঠ প্ৰাথমিক প্ৰশিক্ষণ শিক্ষকসকলৰ দৰমহাৰ নিৰিখ হৈছে ১২০০-২১০০ টকা। তেওঁলোকে ১৪১০ টকাৰ প্ৰাৰম্ভিক দৰমহাত অস্থায়ীভাৱে প্ৰধান শিক্ষকৰ দায়িত্বসমূহ পালন কৰি আছে। তেওঁলোকে প্ৰধান শিক্ষক ৰূপে দায়িত্ব পালনৰ বাবে

অগ্ৰিম দৰমহা বৃদ্ধিৰ দাবী কৰিছিল। উচ্চ ন্যায়ালয়ে মত প্ৰদান কৰিছে যে পঞ্জাৱ প্ৰশাসনিক সেৱাৰ প্ৰথম খণ্ডৰ প্ৰথম অংশৰ বিধি সংখ্যা ৪(৪) অনুসৰি প্ৰধান শিক্ষক হিচাপে তেওঁলোকৰ অগ্ৰিম দৰমহা বৃদ্ধিৰ অধিকাৰ আছে, যিটো তলত উল্লেখ কৰা হ'ল :

> "৪.৪. ক্ৰমবৰ্ধিত দৰমহাৰ ভিত্তিত এটা পদত স্থায়ীভাৱে নিযুক্তি লাভ কৰা এগৰাকী চৰকাৰী কৰ্মচাৰীৰ প্ৰাৰম্ভিক মূল দৰমহা নিম্নলিখিত ধৰণে নিয়ন্ত্ৰণ কৰা হয় :
>
> i) যেতিয়া এক নতুন পদৰ নিযুক্তিত এনে স্থায়ী পদৰ লগত সাঙুৰ খাই থকা দ্বায়িত্ব বা কৰ্তব্যৰ তুলনাত অধিক গুৰুত্বপূৰ্ণ দায়িত্ব বা কৰ্তব্যৰ (বিধি সংখ্যা ৪.১৩-ত এই সম্পৰ্কে ব্যাখ্যা কৰা অনুসৰি) ধাৰণা জড়িত হৈ থাকে, তেন্তে তেওঁ পুৰণি পদটোৰ সাপেক্ষে তেওঁৰ মূল দৰমহাৰ ওপৰৰ স্তৰৰ ক্ৰমবৰ্ধিত নিৰিখত প্ৰাৰম্ভিক দৰমহা প্ৰাপ্ত কৰিব।"

ইয়াৰ এক পঠনৰ দ্বাৰা স্পষ্টভাৱে বুজা যায় যে ক্ৰমবৰ্ধিত দৰমহাৰ ভিত্তিত এটা পদত স্থায়ীভাৱে নিযুক্তি লাভ কৰা এগৰাকী চৰকাৰী কৰ্মচাৰীৰ দৰমহা নিয়ন্ত্ৰিত কৰা হয় যদিহে তেওঁ নিৰ্দিষ্ট কাৰ্যকালৰ পদৰ বাহিৰেও সাময়িকভাৱে এক স্থায়ী পদৰ দ্বায়িত্বভাৰ গ্ৰহণ কৰে আৰু যেতিয়া নতুন পদটোৰ নিযুক্তিত এনে স্থায়ী পদৰ লগত সাঙুৰ খাই থকা দ্বায়িত্ব বা কৰ্তব্যৰ তুলনাত অধিক গুৰুত্বপূৰ্ণ দায়িত্ব বা কৰ্তব্যৰ ধাৰণা জড়িত হৈ থাকে, তেন্তে তেওঁ পুৰণি পদটোৰ সাপেক্ষে তেওঁৰ মূল দৰমহাৰ ওপৰৰ স্তৰৰ ক্ৰমবৰ্ধিত নিৰিখত প্ৰাৰম্ভিক দৰমহা প্ৰাপ্ত কৰিব। গতিকে এয়া দেখা যায় যে যেতিয়া কনিষ্ঠ প্ৰাথমিক প্ৰশিক্ষণ শিক্ষকসমূহক প্ৰধান শিক্ষক হিচাপে

অস্থায়ীৰূপে নিযুক্তি দিয়া হৈছিল, তেওঁৰ প্ৰধান শিক্ষক হিচাপে তেওঁৰ অস্থায়ী পদোন্নতিৰ তাৰিখত কনিষ্ঠ প্ৰাথমিক প্ৰশিক্ষণ শিক্ষকৰ দৰমহাৰ নিৰিখ সাপেক্ষে প্ৰাপ্ত মূল দৰমহাৰ পৰৱৰ্তী স্তৰৰ নিৰিখত পুৰণি পদটোত এক অগ্ৰিম দৰমহা বৃদ্ধি লাভৰ অধিকাৰ থাকিব, যিহেতু তেওঁ প্ৰধান শিক্ষক হিচাপে অধিক গুৰুত্বপূৰ্ণ দায়িত্ব পালন কৰি আহিছে।

সেই অনুসৰি এই আবেদন মঞ্জুৰ কৰা হ'ল। উচ্চ ন্যায়ালয়ৰ আদেশৰ সংশোধন কৰা হ'ল। তেওঁলোকৰ প্ৰধান শিক্ষক হিচাপে দায়িত্ব পালন কৰোতে পদোন্নতিৰ সময়ত কনিষ্ঠ প্ৰাথমিক প্ৰশিক্ষণ শিক্ষকৰ দৰমহাৰ নিৰিখত এটা অগ্ৰিম দৰমহা বৃদ্ধিৰ অধিকাৰ আছে। ব্যয় অবিহনে।

আবেদন মঞ্জুৰ কৰা হ'ল।

* * * * * * * *

অনুবাদ – ভাস্বতী গোস্বামী, কনিষ্ঠ অনুবাদক, গৌহাটী উচ্চ ন্যায়ালয়

DISCLAIMER

"The translated judgment in vernacular language is meant for the restricted use of the litigant to understand it in his/her language and may not be used for any other purpose. For all practical and official purposes, the English version of the judgment shall be authentic and shall hold the field for the purpose of execution and implementation".

(“স্থানীয় ভাষালৈ অনুদিত এই ৰায় গোচৰত জড়িত পক্ষই বুজি পোৱাৰ উদ্দেশ্যে সীমিত ব্যৱহাৰৰ বাবেহে। ইয়াৰ বাবে অন্য ক্ষেত্ৰত অনুদিত ৰূপ ব্যৱহৃত নহ’ব। সকলো ব্যৱহাৰিক আৰু বিভাগীয় কামৰ লগতে ৰায়ৰ কাৰ্যকৰীকৰণ আৰু ৰূপায়ণৰ ক্ষেত্ৰতো এই ৰায়ৰ ইংৰাজী সংস্কৰণটোৱেই সঠিক বিবেচিত হ’ব।”)